**গৌহাটী উচ্চ ন্যায়ালয়**

**(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)**

**ফৌজদাৰী আপীল (জে) নং ৪৬/২০১৭**

শ্ৰী অজিত কুমাৰ,

প্ৰয়াত মোহন কুমাৰৰ পুত্ৰ,

গাঁওঃ নোপম বাৰুতিয়া, থানা: গেলেকী,

জিলাঃ শিৱসাগৰ

............ আপীলকাৰী

বনাম

(১) অসম চৰকাৰ, লোক অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে

২) শ্ৰী অবতাৰ সিং,

লেফটেনেণ্ট কুন্দন সিঙৰ পুত্ৰ,

নিবাস: তিনিচুকীয়া হিজুগুৰি,

জিলাঃ তিনিচুকীয়া, অসম

....... প্ৰতিপক্ষসমূহ

**মহামান্য মুখ্য ন্যায়াধীশ**

**মহামান্য ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড**

আপীলকাৰীৰ অধিবক্তা: শ্ৰী আৰ দেৱ, Amicus Curiae (আদালতৰ বন্ধু)

প্ৰতিপক্ষৰ অধিবক্তা : শ্ৰীমতি এচ জাহান, লোক অধিবক্তা, অসম (১ নম্বৰ

প্ৰ্তিপক্ষৰ হৈ)

শুনানি আৰু ৰায়দানৰ তাৰিখ : ০৪.০৮.২০২৩

## ৰায় আৰু আদেশ (মৌখিক)

**মহামান্য মুখ্য ন্যায়াধীশ: সন্দীপ মেহতা**

০৯.০৫.২০১৭ তাৰিখে ডিব্ৰুগড়ৰ বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশে সত্ৰ গোচৰ নং.২৭৮/২০১৩ ত আপীলকাৰীক তেঁও কৰা অপৰাধৰ বাবে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰিছিল আৰু তেওঁক আজীৱন কাৰাদণ্ডৰ শাস্তি আৰু ৫,০০০/- টকা জৰিমনা বিহাৰ উপৰিও জৰিমনা অনাদায়ে তেওঁক আৰু ১(এক) মাহৰ বাবে সাধাৰণ কাৰাবাসেৰে (এছ আই) দণ্ডিত কৰিছিল আৰু এই ৰায় আৰু আদেশত অসন্তুষ্ট হৈ আপীলকাৰী/অভিযুক্ত অজিত কুমাৰে এই ফৌজদাৰী আবেদানখন ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩৭৪(২) ধাৰাৰ অধীনত দাখিল কৰিছে।

২) আপীল নিস্পত্তিৰ বাবে প্ৰাসংগিক আৰু অত্যাৰশ্যকীয় চমু তথ্যসমূহ তলত উল্লেখ কৰা হ'ল:

১৯.০২.২০০৮ তাৰিখে মৰাণ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে ঝোলং অঞ্চলৰ এখন হোটেলৰ ওচৰত ৰখাই থোৱা এখন পৰিত্যক্ত ট্ৰাকত মৃতদেহ পোৱা গৈছে বুলি টেলিফোনিক তথ্য লাভ কৰে। উক্ত তথ্য লাভ কৰাৰ লগে লগে আৰক্ষীৰ দলটোৱে ঠাইখনলৈ তাৎক্ষণিকভাবে গৈ পৰিত্যক্ত ট্ৰাকখনত এটা মৃতদেহ পালে। ট্ৰাকখনৰ পঞ্জীয়ন নং আছিল ডব্লিউ বি-২৩/এ-২৫২৭ । এনেদৰে মৃতদেহ উদ্ধাৰ কৰাৰ পিছত, মৰাণ আৰক্ষী থানাৰ বিষয়াসকলে ১৯.০২.২০০৮ তাৰিখে যি জব্দনামা(প্ৰদৰ্শক-২) প্ৰস্তুত কৰিছিল সেইখনৰ

জৰিয়তে ওপৰত উল্লেখ কৰা ট্ৰাকখন, যিখনত সৰিয়হৰ বীজ লৈ যোৱা হৈছিল, জব্দ কৰিছিল।

জব্দনামা (প্ৰদৰ্শক ৪) ৰ জৰিয়তে চকা মেৰামতিৰ বাবে ব্যবহাৰ কৰা এপাত তেজৰ দাগ থকা ৰেঞ্চ (wrench) আৰু তেজৰ দাগ থকা পাতল সেউজীয়া আৰু ধূসৰ ৰঙৰ কম্বল এখনো জব্দ কৰা হৈছিল। অচিনাক্ত মৃতদেহটোৰ ওপৰত সুৰৎহাল (প্ৰদৰ্শক ৫) প্ৰস্তুত কৰা হৈছিল আৰু মৃতদেহটোৰ কপালত ভোটা বস্তুৰে কৰা আঘাত পৰিলক্ষিত কৰা হৈছিল। মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা (প্ৰদৰ্শক ৬) কৰা হৈছিল আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত মত পোষণ কৰা হৈছিল যে মৃত্যুৰ পূৰ্বে মূৰত ভোটা বস্তুৰে কৰা আঘাতেই হ'ল মৃত্যুৰ কাৰণ।

গোচৰীয়া পক্ষই দাবী কৰিছে যে আপীলকাৰীক ১৯.০৩.২০০৮ আৰু ২০.০২.২০০৮ তাৰিখৰ মাজৰ নিশা শিৱসাগৰ চহৰত ঘূৰি ফুৰা অৱস্থাত পোৱা গৈছিল আৰু তেওঁক আটক কৰা হৈছিল। তেওঁৰ ব্যক্তিগত তালাচী লোৱা হৈছিল আৰু অভিযোগ অনুসৰি, নগদ ১০,৮৮০/- টকা আৰু ন'কিয়াৰ মোবাইল হেণ্ডছেট তেওঁৰ পৰা জব্দ কৰা হৈছিল। কিন্তু অভিযুক্তৰ ডিটেনশ্যন মেমো বা নোট আৰু ম'বাইল ফোন জব্দ কৰা মেমো যদি শিৱসাগৰ আৰক্ষী থানাৰ বিষয়াসকলে প্ৰস্তুত কৰিছিল, তেন্তে সেইয়া গোচৰৰ নথিৰ লগত দাখিল কৰা হোৱা নাছিল। ইয়াৰ উপৰিও গোচৰিয়া পক্ষই দাবী কৰিছে যে অভিযুক্তক মৰাণ আৰক্ষী থানাৰ বিষয়াসকলে জিম্মাত লৈছিল আৰু শিৱসাগৰ আৰক্ষী থানাই জব্দ কৰা সামগ্ৰীসমূহো মৰাণ থানাই জব্দনামা (প্ৰদৰ্শক ৩) ৰ জৰিয়তে জিম্মাত লৈছিল। এইটো লক্ষণীয় যে শিৱসাগৰ থানাৰ বিষয়াসকলৰ পৰা মৰাণ

থানাৰ বিষয়াসকলে অভিযুক্তক নিজৰ জিম্মাত লওঁতে মেমো প্ৰস্তুত কৰা নাছিল অথবা শুনানিৰ সময়তো মেমো দাখিল কৰা নাছিল।

৩) যি কি নহওঁক, শিৱসাগৰ থানাৰ বিষয়াসকলে প্ৰস্তুত কৰা জব্দনামা (প্ৰদৰ্শক-৩) অনুসৰি জব্দ কৰা কিছুমান কাগজী মুদ্ৰাত তেজৰ দাগ আছিল।

৪) অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছত এজন অবতাৰ সিঙে নামৰ লোকে (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) মৰাণ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক লিখিত প্ৰতিবেদন(প্ৰদৰ্শক ১) দাখিল কৰে যে পঞ্জীয়ন নং ডব্লিউ বি-২৩/২৫২৭ থকা তেওঁৰ ট্ৰাকখন ২৪১ বেগ সৰিয়হৰ বীজ লৈ তিনিচুকীয়াৰ শ্ৰীৰাম ইণ্ডাষ্ট্ৰীজৰ পৰা ১৮ ফেব্ৰুৱাৰীত ৰাওনা হৈছিল আৰু বাটত ট্ৰাক চালক লখান মণ্ডলক হত্যা কৰিছিল হেণ্ডিমেন (খালাচী) অজিতে আৰু তাৰ পিছত অজিতে টকা আৰু মোবাইল ফোন লৈ পলায়ন কৰিছিল। মন কৰিবলগীয়া যে শিৱসাগৰ থানাত পঞ্জীয়নভুক্ত আনুষ্ঠানিক এফ.আই.আৰ. নং ১৭/২০০৮ গোচৰীয়া পক্ষই কেতিয়াও প্ৰদৰ্শিত কৰা নাছিল। তদন্ত সমাপ্ত কৰি ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়।

৫) এই গোচৰত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত কৰা অপৰাধ, যিটো সত্ৰ আদালতত বিচাৰযোগ্য, সেইটো ডিব্ৰগড়ৰ সত্ৰ ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰা হৈছিল আৰু তাৰ পৰা সেইটো শুনানিৰ বাবে ডিব্ৰুগড়ৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰিত কৰা হৈছিল। ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত অভিযুক্তৰ বিৰুদ্ধে

charge frame কৰা হৈছিল আৰু অভিযুক্ত নিজকে দোষমুক্ত বুলি কোৱাৰ লগতে তেওঁ বিচাৰৰ সন্মুখীন হ'বলৈ প্ৰস্তুত বুলি কৈছিল।

৬) গোচৰীয়া পক্ষই ৭(সাত) জন সাক্ষীক পৰীক্ষা কৰিছিলআৰু গোচৰ প্ৰমাণ কৰিবলৈ ১০(দহ) খন নথি প্ৰদৰ্শন কৰিছিল।

৭)ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত অভিযুক্তৰ সাক্ষ্য লিপিবদ্ধ কৰা হৈছিল। অভিযুক্তই গোচৰীয়া পক্ষৰ অভিযোগ অস্বীকাৰ কৰিছিল যদিও প্ৰতিৰক্ষাৰ বাবে কোনো সাক্ষ্য দিয়া নাছিল।

৮) ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাত লিপিবদ্ধ কৰা অভিযুক্তৰ সম্পূৰ্ণ সাক্ষ্য এই আদালতে উদ্ধৃত কৰিবলৈ বাধ্য কাৰণ বিচাৰ ন্যায়াধীশে অভিযুক্তক তেওঁৰ বিৰুদ্ধে দাখিল কৰা প্ৰাসংগিক প্ৰমাণৰ বিষয়ে সোধা নাছিল যিটো ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাত লিপিবদ্ধ কৰা সাক্ষ্যৰ ক্ষেত্ৰত প্ৰয়োজনীয়। তদন্তকাৰী বিষয়া লুক নাথ গগৈ (গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী )ৰ বক্তব্যৰ এটা অংশ উদ্ধৃত কৰাৰ বাহিৰে বিচাৰৰ সময়ত লিপিবদ্ধ/প্ৰদৰ্শিত হোৱা আন কোনো গোচৰৰ সমল/ প্ৰমাণ যেনে সেইয়া এফ আই আৰয়েই হওক বা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অথবা ফৰেনছিক বিজ্ঞানাগাৰ (এফ এছ এল) প্ৰতিবেদনেই হওক, সেইবোৰৰ বিষয়ে অভিযুক্তক প্ৰশ্ন কৰা হোৱা নাছিল।

ফৌজদাৰী কৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাত লিপিবদ্ধ কৰা অভিযুক্ত সাক্ষ্য তলত দিয়া ধৰণৰ:

প্ৰশ্ন: লোক নাথ গগৈয়ে সাক্ষ্যত কৈছে যে ১৯/০২/০৮ তাৰিখে তেওঁ খবৰ পাইছিল যে এটা মৃতদেহ এখন পৰিত্যক্ত ট্ৰাকত পৰি আছিল; তাৰ পিছদিনা তেওঁ শিৱসাগৰ থানাৰ পৰা তথ্য লাভ কৰিছিল যে শিৱসাগৰ আৰক্ষীৰ নৈশ তাহালদাৰি দলে এজন ব্যক্তিক আটক কৰিছিল; উক্ত ব্যক্তিজন আছিল সেই ট্ৰাকৰ হেণ্ডিমেন য'ত মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু যে তেজৰ দাগ থকা কাগজী মুদ্ৰা কিছুমান তেওঁৰ পৰা উদ্ধাৰ কৰা হৈছিল। আপুনি কি কয়?

উত্তৰ: এইয়া সঁচা নহয়।

প্ৰশ্ন : তেওঁ পুনৰ সাক্ষ্য দিছে যে তদন্তৰ সময়ত তেওঁ দেখিলে যে আপুনি সেই ট্ৰাকখনৰ হেণ্ডিমেন আছিল। আপুনি কি কয়?

উত্তৰ। : সঁচা নহয়।

প্ৰশ্ন : আপুনি সাক্ষ্য দিবনে?

উত্তৰ। : নিদিওঁ।

প্ৰশ্ন : আপোনাৰ কি ক'বলগীয়া আছে?

উত্তৰ। : এই গোচৰৰ অভিযোগ (মোৰ বিৰুদ্ধে) মিছা আৰু মই নিৰ্দোষী।”

৯) গোচৰীয়া পক্ষৰ অধিবক্তা আৰু প্ৰতিপক্ষৰ অধিবক্তাৰ যুক্তি আৰু গোচৰৰ নথিত উপলব্ধ সমালসমূহ বিবেচনা কৰি বিদ্বান বিচাৰ আদালতে এই আপীলত বিবাদিত ০৯.০৫.২০17 তাৰিখৰ ৰায়দানৰ দ্বাৰা ওপৰত উল্লেখ কৰাৰ দৰে আপীলকাৰীক দোষী সাব্যস্ত আৰু শাস্তি প্ৰদান কৰিবলৈ আগবাঢ়িল।

১০) বিজ্ঞ amicus curiae( আদালতৰ বন্ধু) শ্ৰী আৰ দেৱে তীব্ৰভাৱে দাবী কৰিছে যে বিচাৰ আদালতে যিদৰে অভিযুক্ত দোষী সাব্যস্ত কৰিছে, তেনেদৰে দোষী সাব্যস্ত কৰিবলৈ গোচৰৰ নথিত কোনো উপযুক্ত সমল নাই। তেওঁ আঙুলিয়াই দিয়ে যে গোচৰীয়া পক্ষই দিয়া সাক্ষ্য প্ৰমাণ যথেষ্ট নহয় বুলি বিবেচনা কৰি, এই আদালতে, ১৬.০৯.২০১৯ তাৰিখে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩৯১ ধাৰাৰ অধীনত প্ৰদান কৰা আদেশৰ জৰিয়তে আৰু কিছুমান সাক্ষী লিপিবদ্ধ কৰিবলৈ নিৰ্দেশ দিছিল কিন্তু এনেদৰে লিপিবদ্ধ কৰা অতিৰিক্ত প্ৰমাণেও অভিযুক্তক এই গোচৰৰ ক্ষেত্ৰত কোনো ধৰণেৰে জড়িত নকৰে। তেওঁ কয় যে ট্ৰাকখনত মৃতদেহটো উদ্ধাৰ কৰাৰ পিছত পঞ্জীয়ন কৰা ১৯.০২.২০০৮ তাৰিখৰ সাধাৰণ পঞ্জী নং ৪০০ ক গোচৰীয়া পক্ষই কেতিয়াও প্ৰদৰ্শিত কৰা নাছিল আৰু সেয়েহে, গোচৰীয়া পক্ষই ঘটনা সম্পৰ্কে দিয়া প্ৰকৃত এফ আই আৰ গোপন কৰিছে। তেওঁ আৰু কয় যে আপীলকাৰীজন গোচৰত উল্লেখিত ট্ৰাকখনৰ হেণ্ডিমেন হিচাপে নিয়োজিত আছিল বুলি গোচৰীয় পক্ষই কোনো সাক্ষ্য প্ৰমাণ দিয়া নাছিল।অৰতাৰ সিং (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) য়ে আপীলকাৰীজনক ট্ৰাকখনৰ হেণ্ডিমেন বুলি চিনাক্ত কৰা নাছিল। গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী অশোক শৰ্মাই সাক্ষ্যত কৈছে যে তেঁওৰ অভিযুক্ত বা

মৃতক সংক্ৰান্তে কোনো জ্ঞান নাই। গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী সুধিৰ শৰ্মাইও একেধৰণে সাক্ষী দিছে। গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী ডঃ ৰহিমউদ্দিন আহমেদে সাক্ষ্যত প্ৰদৰ্শক ৬ খন মৃতক লখন মণ্ডলৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন বুলি প্ৰমাণ কৰিছে। অৱশ্যে অভিযুক্তৰ ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাত সাক্ষ্য লওঁতে তেঁওক ডাক্তৰজনৰ সাক্ষ্য অথবা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত কোনো প্ৰশ্ন কৰা হোৱা নাই। সেয়েহে ডাক্তৰজনৰ সাক্ষ্য অভিযুক্তজনৰ বিৰুদ্ধে প্ৰয়োগ কৰিব নোৱাৰি।

১১) বিদ্বান Amicus Curiae য়ে আদালতত তদন্তকাৰী বিষয়া লুক নাথ গগৈ (গোচৰীয়াপক্ষৰ ৪ নম্বৰ সাক্ষী) আৰু (গোচৰীয়াপক্ষৰ ৪ নম্বৰ সাক্ষী) ডঃ ৰহিমউদ্দিন আহমেদৰ সাক্ষ্যৰ (তদন্তকাৰী বিষয়া লুক নাথ গগৈ আৰু ডঃ ৰহিমউদ্দিন আহমেদৰ দুয়োজনকে গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী হিচাপে চিহ্নিত কৰা হৈছে) বিষয়ে উল্লেখ কৰে আৰু সাক্ষীজনে ১৯.০২.২০০৮ তাৰিখৰ সাধাৰণ পঞ্জি নম্বৰ ৪০০ তাৰিখ প্ৰমাণ নকৰাৰ কথা উল্লেখ কৰে। তেওঁ আনুষ্ঠানিক এফ.আই.আৰ. নং ১৭/২০০৮ যিখন অৱতাৰ সিং (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) ৰ পৰা পোৱাৰ পিছত পঞ্জীয়ন কৰা হৈছিল, সেইখন প্ৰমাণ কৰা নাছিল। সাক্ষীজনে দাবী কৰে যে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰি তালাচী চলোৱাৰ সময়ত তেওঁৰ হাতৰ পৰা

কিছু তেজৰ দাগ থকা কাগজী মুদ্রা উদ্ধাৰ কৰা হয়। কিন্তু সাক্ষীয়ে জব্দনামাত অভিযুক্তৰ স্বাক্ষৰ প্ৰমাণ কৰা নাছিল (প্ৰদৰ্শক-৩)। সাক্ষীজনে স্বীকাৰ কৰে যে তেওঁ ট্ৰাকখনৰ মালিকৰ সন্দৰ্ভত কোনো ধৰণৰ তদন্ত কৰা নাছিল। লগতে তেওঁ স্বীকাৰ কৰে যে অভিযুক্তৰ পৰা তেওঁ কোনো ধৰণৰ কাগজী মুদ্রা জব্দ কৰা নাছিল ।

১২) বিদ্বান Amicus Curiae (আদালতৰ বন্ধু)য়ে যুক্তি প্ৰদৰ্শন কৰি কয় যে অভিযুক্তৰ পৰা নোট জব্দ কৰাৰ সম্পৰ্কীয় কোনো প্ৰমাণ নথকাৰ বাবে বিচাৰ আদালতে নোট উদ্ধাৰৰ পৰিস্থিতি আৰু ফৰেণচিক বিজ্ঞানাগাৰৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি গুৰুতৰ ভুল কৰিছিল যিটো অনুসৰি নোটত বি গ্ৰুপৰ মানুহৰ তেজৰ নমুনা পোৱা গৈছিল। এইদৰে Amicus Curiae (আদালতৰ বন্ধু)য়ে আদালতক অভিযুক্তৰ/ আপিলকাৰীৰ আবেদন গ্ৰহণ কৰি অভিযুক্ত/আপিলকাৰীক দোষমুক্ত কৰি জিম্মাত থকাৰ পৰা মুক্তিৰ নিৰ্দেশ দিবলৈ অনুৰোধ জনায়।

১৩) আনহাতে বিদ্বান লোক অধিবক্তা শ্ৰীমতী এছ জাহানে বিদ্বান Amicus Curiae (আদালতৰ বন্ধু)য়ে আগবঢ়োৱা দাখিলসমূহৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেখেতে যুক্তি দিছিল যে গোচৰীয়া পক্ষই নিৰ্ভৰযোগ্য প্ৰমাণ দিছে যে অভিযুক্ত/ আপীলকাৰীজনেই আছিল সেই ট্ৰাকখনৰ হেণ্ডিমেন যাৰ চালক আছিল মৃত লখন মণ্ডল। অভিযুক্তই লখান মণ্ডলক হত্যা কৰি ১০,৮৮০/- টকাৰ কাগজী মুদ্রা লুট কৰি লৈ যায় আৰু শিৱসাগৰ থানাৰ বিষয়াই অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ সময়ত সেই কাগজী মুদ্রা উদ্ধাৰ কৰে। এই নোটবোৰত তেজৰ দাগ দেখা গৈছিল। তেজৰ দাগ থকা নোট, ট্ৰাকখনৰ পৰা উদ্ধাৰ হোৱা কম্বল আৰু ট্ৰাকখনৰ ওচৰত পৰি থকা উদ্ধাৰ

হোৱা স্পেনাৰ (চকাৰ ৰেঞ্চ) সকলোবোৰ ফৰেণচিক বিজ্ঞানাগাৰত পৰীক্ষা কৰা হৈছে। ফৰেণচিক বিজ্ঞানাগাৰে প্ৰতিবেদনত (প্ৰদৰ্শক-৭) প্ৰকাশ কৰি এই কথা নিশ্চিত কৰে যে সকলো সামগ্ৰীতে বি গ্ৰুপৰ মানুহৰ তেজৰ উপস্থিতি পোৱা গৈছে। তাই যুক্তি প্ৰদৰ্শন কৰে যে অভিযুক্তজনৰ হাতত জব্দ কৰা নোটবোৰত কেনেকৈ মৃতকৰ তেজৰ গোটৰ সৈতে একেটা তেজৰ গোটৰ দাগ লাগি আছিল সেইয়া অভিযুক্তই বাখ্যা কৰিবলৈ বাধ্য আছিল।

১৪) এইদৰে, বিদ্বান লোক অধিবক্তা যুক্তি প্ৰদৰ্শণ কৰে যে অভিযুক্তই এই গুৰুতৰ অপৰাধমূলক পৰিস্থিতিগত সমলৰ ব্যাখ্যা আগবঢ়াব নোৱাৰাৰ ফলত এইটো অনস্বীকাৰ্যভাবে অনুমান হয় যে তেওঁৰেই আক্ৰমণকাৰী আছিল যিয়ে লখন মণ্ডলক হত্যা কৰিছিল তেঁওৰ (মৃতকৰ) টকা আৰু মোবাইল হেণ্ডছেট লুট কৰাৰ বাবে। এই ভিত্তিত তেঁও আদালতক আবেদন খাৰিজ কৰি আপীলকাৰীৰ দোষীসাব্যস্তকৰণ নিশ্চিত কৰিবলৈ অনুৰোধ জনায়।

১৫) আমি আদালতত আগবঢ়োৱা দাখিলসমূহ আৰু বিবাদিত ৰায়দানৰ ওপৰত বিবেচনা কৰিছো আৰু গোচৰৰ নথিত উপলব্ধ প্ৰমাণসমূহৰ সূক্ষ্মভাৱে পুনৰ বিবেচনা কৰিছো।

১৬) আমি লক্ষ্য কৰিব পাৰো যে ওপৰত উল্লেখ কৰাৰ দৰে ফৌজাদাৰি কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাত অভিযুক্তক যিদৰে সোধপোচ কৰা হৈছিল তাৰ পৰা এইটো স্পষ্টভাৱে প্ৰকাশ হয় যে তদন্তকাৰী বিষয়া লুক নাথ গগৈ (গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী) ৰ সাক্ষ্যৰ বাহিৰে অভিযুক্তক লখানৰ

হত্যাৰ অপৰাধৰ সৈতে জড়িত কৰিব পৰাকৈ গোচৰীয়া পক্ষই কোনো প্ৰমাণ থকাৰ দাবী কৰা নাছিল ।

১৭) আমি বিচাৰৰ সাক্ষীসকলৰ সাক্ষ্য পৰীক্ষা কৰি দেখিছোঁ যে অৱতাৰ সিঙে (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) য়ে অভিযুক্তজন উক্ত ট্ৰাকখনৰ হেণ্ডিমেন (খালাচী) আছিল সন্দৰ্ভত একো কোৱা নাছিল। অৱশ্যে তেওঁ অভিযুক্তক অপৰাধৰ সৈতে জড়িত কৰি কোনো প্ৰমাণ নিদিলে। চিকিৎসক ডাঃ ৰহিমুদ্দিন আহমেদে (গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী) লখান মণ্ডলৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা বুলি আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন (প্ৰদৰ্শক-৬) প্ৰস্তুত কৰি বুলি এই তথ্য পোৱা বুলি প্ৰমাণ কৰিছিল যে মৃতকৰ মৃত্যুৰ কাৰণ আছিল ক'মা যাৰ কাৰণ আছিল মৃত্যুৰ পুৰ্ব্বে ভোতা বস্তুৰে মূৰত কৰা আঘাত আৰু এই আঘাত মৃত্যু ঘটাব পৰা ধৰণৰ আঘাত আছিল। কিন্তু ওপৰত উল্লেখ কৰা অনুসৰি চিকিৎসকৰ সাক্ষ্য আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বিষয়ে অভিযুক্তক অভিযুক্তই ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধিনত প্ৰদান কৰা সাক্ষ্যত সোধপোচ কৰা হোৱা নাছিল আৰু সেয়েহে একেখিনি কথা তেওঁৰ বিৰুদ্ধে গোচৰৰ সমল হিচাপে গন্য কৰিব নোৱাৰি।

১৮) মৰাণ থানাত কৰ্মৰত তদন্তকাৰী বিষয়া লুক নাথ গগৈ(গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী)য়ে সাক্ষ্য দিছে যে তেঁও ১৯.০২.২০০৮ তাৰিখে পুৱা প্ৰায় ৮:১৫ বজাত অশোক শৰ্মা (গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী)ৰ পৰা ফোনযোগে খবৰ পাই যে ঝোলং অঞ্চলত এখন পৰিত্যক্ত ট্ৰাকত মৃতদেহ উদ্ধাৰ হৈছে । সাক্ষীজনে আৰু কয় যে এই তথ্য লাভ কৰাৰ পিছত ১৯.০২.২০০৮ তাৰিখৰ সাধাৰণ পঞ্জি নং ৪০০ অন্তৰ্ভুক্ত কৰিছিল আৰু

তাৰ পিছত তেওঁ ঘটনাস্থলীলৈ গৈ পৰিত্যক্ত ট্ৰাকখন পাইছিল যাৰ পঞ্জীয়ন নং ডব্লিউ বি-২৩/এ-২৫২৭ আৰু য'ত এজন পুৰুষৰ এটা মৃতদেহ পৰি আছিল। তেওঁ উল্লেখ কৰে যে মৃতদেহটোৰ চুৰৎহাল কৰা হৈছিল আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছিল। তেওঁ আৰু কয় যে তেওঁ গাড়ীখনত তেজৰ দাগ পৰা স্পেনাৰ (চকাৰ ৰেঞ্চ) আৰু কম্বল উদ্ধাৰ কৰে, যিবোৰ জব্দ কৰা হয়। তেওঁ আৰু কয় যে পিছদিনা তেঁও শিৱসাগৰ থানাৰ পৰা তথ্য লাভ কৰিছিল যে অজিত নামৰ এজন ব্যক্তিক সন্দেহৰ ভিত্তিত আটক কৰা হৈছিল আৰু জেৰাৰ সময়ত লোকজনে মৃতদেহ উদ্ধাৰ হোৱা গাড়ীখনৰ হেণ্ডিমেন বুলি প্ৰকাশ কৰিছিল। সাক্ষীগৰাকীয়ে দাবী কৰে যে এই তথ্য লাভ কৰাৰ পিছত তেওঁ শিৱসাগৰ থানালৈ যায় আৰু এনেতে অজিত নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰা হয় আৰু তেঁওৰ তালাচী চলোৱাৰ সময়ত তেঁওৰ পৰা কিছুমান তেজৰ দাগ থকা নোট উদ্ধাৰ কৰা হয়। সাক্ষীগৰাকীয়ে কয় যে অৱতাৰ সিং (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) এ ২০.০২.২০০৮ তাৰিখে দাখিল কৰা এফ.আই.আৰৰ ভিত্তিত মৰাণ থানাৰ গোচৰ নং ১৭/২০০৮ ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২/৩৭৯ ধাৰাৰ অধীনত ৰুজু কৰা হৈছিল। তেজৰ দাগ থকা নোট, কম্বল আৰু স্পেনাৰ পৰীক্ষাৰ বাবে ফৰেণচিক বিজ্ঞানাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছিল। যথা সময়ত ফৰেণচিক বিজ্ঞানাগাৰৰ প্ৰতিবেদন আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সংগ্ৰহ কৰি ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২/৩৭৯ ধাৰাত শাস্তিযোগ্য অপৰাধৰ বাবে অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়। সাক্ষীগৰাকীয়ে আৰু কয় যে ফৰেণচিক বিজ্ঞানাগাৰৰ প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে যে জব্দ কৰা সামগ্ৰীটোত তেজৰ চিনবোৰ মানুহৰ আছিল আৰু সেই তেজৰ গোট আছিল B (Positive)। জেৰাৰ সময়ত

সাক্ষীজনে স্বীকাৰ কৰে যে তেওঁ ট্ৰাকখনৰ মালিক কোন আৰু গাড়ীখনৰ চালকৰ সংখ্যা কিমান সেইয়া জানিবলৈ কোনো ধৰণৰ তদন্ত কৰা নাছিল। তেওঁ স্বীকাৰ কৰে যে তেওঁ অভিযুক্ত ব্যক্তিজনৰ পৰা কোনো ধৰণৰ নোট জব্দ কৰা নাছিল। প্ৰভাত তালুকদাৰে (গোচৰীয় পক্ষৰ ৫ নম্বৰ সাক্ষী) আৰু ৰাজু ৰয়ে (গোচৰীয় পক্ষৰ ৬ নম্বৰ সাক্ষী) গোচৰৰ সন্দৰ্ভত কোনো সাক্ষী দিয়া নাই। দিপাংকৰ ফুকনে (গোচৰীয় পক্ষৰ ৭ নম্বৰ সাক্ষী) জব্দনামা (প্ৰদৰ্শক ৩) ত স্বাক্ষৰ কৰিছিল আৰু কৈছিল যে আৰক্ষীয়ে কোৱাত তেওঁ থানাত স্বাক্ষৰ কৰিছিল।

১৯) গোচৰীয়া পক্ষই লিপিবদ্ধ কৰা প্ৰমাণৰ সমগ্ৰ ক্ৰমৰ পৰা যিটো লক্ষ্য কৰিব পাৰি সেয়া হ'ল এই গোচৰত অভিযুক্তৰ পৰা কেতিয়াও কোনো ধৰণৰ সামগ্ৰী উদ্ধাৰ কৰা বুলি প্ৰমাণ কৰিবলৈ কোনো সাক্ষীক পৰীক্ষা কৰা হোৱা নাছিল। অভিযুক্তক আটক কৰা শিৱসাগৰ থানাৰ টহলদাৰী দলৰ কোনো সাক্ষীক মূল বিচাৰৰ সময়ত অথবা এই আদালতে ফৌজাদাৰী কাৰ্য্যবিধি আইনত ৩৯১ ধাৰাৰ অধীনত অতিৰিক্ত প্ৰমাণ লিপিবদ্ধ কৰিবলৈ দিয়া নিৰ্দেশনাৰ পিছত পৰীক্ষা কৰা হোৱা নাছিল। অভিযুক্তজনক দোষী সাব্যস্ত কৰিবলৈ গোচৰীয়া পক্ষই নিৰ্ভৰ কৰা একমাত্ৰ দূৰৱৰ্তী প্ৰমাণটো আছিল তেওঁৰ পৰা জব্দ কৰা নোটসমূহৰ মাজত তেজৰ দাগ থকা এখন নোট আৰু পৰিত্যক্ত ট্ৰাকখনৰ পৰা জব্দ কৰা স্পেনাৰ আৰু কম্বল।কিন্তু ইয়াত মন কৰিবলগীয়া কথাটো হ'ল যে শিৱসাগৰ থানাৰ বিষয়াসকলে অভিযুক্তসকলৰ পৰা নোট জব্দ কৰাৰ সন্দৰ্ভত গোচৰীয়া পক্ষই কোনো জব্দনামা প্ৰস্তুত কৰা বা প্ৰমাণ কৰা নাছিল। তদুপৰি, গোচৰীয়া পক্ষই এইটো প্ৰমাণ কৰাত ব্যৰ্থ হৈছে যে পৰিত্যক্ত ট্ৰাকখনৰ পৰা জব্দ কৰা

সামগ্ৰী অৰ্থাৎ স্পেনাৰ আৰু কম্বলখন দূষিত নহ'বলৈ ছীল কৰা হৈছিল। কেৱল এয়াই নহয়, তদন্তৰ সময়ত জব্দ কৰা এই সামগ্ৰীসমূহ নিৰাপদে জিম্মাত ৰখাৰ সন্দৰ্ভত তদন্তকাৰী বিষয়া লুক নাথ গগৈয়ে (গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী) একো কোৱা নাছিল। থানাৰ পৰা ফৰেণচিক বিজ্ঞানাগাৰলৈ কিদৰে নমুনা প্ৰেৰণ কৰা হৈছিল তাৰ কোনো প্ৰমাণ দিয়া হোৱা নাছিল। ঘটনাৰ প্ৰকৃত এফ আই আৰ হ'লহেঁতেন ১৯.০২.২০০৮ তাৰিখৰ সাধাৰণ পঞ্জি নম্বৰ ৪০০ যিটো গোচৰৰ নথিত পেচ কৰা হোৱা নাছিল। শিবসাগৰ থানাই যি সাধাৰণ পঞ্জিৰ জৰিয়তে অভিযুক্তক আটক কৰিছিল সেইয়া গোচৰীয়া পক্ষই প্ৰমাণ কৰা নাছিল। গতিকে এইটো স্পষ্ট যে ২০.০২.২০০৮ তাৰিখে অৱতাৰ সিঙে (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী) দাখিল কৰা এফ আই আৰ (প্ৰদৰ্শক-১) তদন্তৰ পিছত দাখিল কৰা নথি।

২০) উল্লেখ কৰিব পাৰি যে জব্দ আৰু ফৰেণচিক বিজ্ঞানাগাৰৰ প্ৰতিবেদনৰ সৈতে জড়িত কোনো প্ৰশ্ন অভিযুক্তক তেওঁৰ সাক্ষ্য ফৌজাদাৰি কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰত লিপিবদ্ধ কৰাৰ সময়ত কৰা হোৱা নাছিল।

২১) ওপৰত উল্লেখ কৰা অনুসৰি, বিদ্বান বিচাৰ ন্যায়াধীশে অভিযুক্তক ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ অধিনত সোধপোচ কৰা সময়ত ফৰেণচিক বিজ্ঞানাগাৰৰ প্ৰতিবেদন সন্দৰ্ভত কোনো প্ৰশ্ন কৰা নাছিল। আনকি বিচাৰ আদালতক এই আদালতৰ ১৬.০৯.২০১৯ তাৰিখৰ আদেশ মানি চলি অতিৰিক্তভাবে সাক্ষ্য লবলৈ নিৰ্দেশ দিয়াৰ পিছতো প্ৰমাণৰ ভিত্তিত কোনো সাক্ষীয়ে অভিযুক্তক অপৰাধৰ বাবে জড়িত কৰিব পৰাকৈ এটাও শব্দও উচ্চাৰণ কৰা নাছিল। এনেদৰে পৰীক্ষা কৰা সাক্ষীসকলৰ ভিতৰত এজন আছিল শিৱসাগৰ থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত বৰুৱা

(আদালতে মতা সাক্ষী নম্বৰ ১)। এই সাক্ষীয়ে সাধাৰণ পঞ্জি প্ৰমাণ কৰা নাছিল আৰু অভিযুক্তৰ হাতৰ পৰা  নোট আৰু মোবাইল হেণ্ডছেট জব্দ কৰাৰ সৈতে জড়িত কোনো জব্দনামাও প্ৰমাণ কৰা নাছিল। বিচাৰ আদালতে বাৰে বাৰে নিৰ্দেশ দিয়াৰ পিছতো সাধাৰণ পঞ্জি দাখিল কৰা হোৱা নাছিল বুলি সাক্ষীগৰাকীয়ে স্বীকাৰ কৰে। সাক্ষীয়ে কয় যে অজিত কুমাৰ নামৰ এজন ব্যক্তিক ১৯.০২.২০০৮ আৰু ২০.০২.২০০৮ তাৰিখৰ মাজৰ নিশা প্ৰায় ৩:৩০ বজাত  শিৱসাগৰ থানাৰ টহলদাৰী দলৰ দ্বাৰা আটক কৰা হৈছিল আৰু তেওঁৰ পৰা এটা ন'কিয়া মোবাইল হেণ্ডছেট আৰু তেজৰ দাগ থকা ১০,৮৮০/- টকাৰ নগদ ধন উদ্ধাৰ কৰা হৈছিল। তেওঁ আৰু কয় যে উক্ত ব্যক্তিজনক শিৱসাগৰ থানালৈ অনা হৈছিল। সাক্ষীজনে (আদালতে মতা সাক্ষী নম্বৰ ১) উক্ত ব্যক্তিজনক অৰ্থাৎ আপীলকাৰীক জেৰা কৰা বুলি দাবী কৰিছিল আৰু কৈছিল য়ে আপীলকাৰীয়ে স্বীকাৰ কৰিছিল যে তেওঁ পঞ্জীয়ন নং ডব্লিউ বি-২৩/এ-২৫২৭ থকা ট্ৰাকখনৰ হেণ্ডিমেন আছিল আৰু তেওঁ ট্ৰাকখনৰ চালকক হত্যা কৰিছিল আৰু মোবাইল হেণ্ডছেট আৰু নগদ ধন লুটি নিছিল। ইয়াৰ পিছতে সাক্ষীজনে (আদালতে মতা সাক্ষী নম্বৰ ১) এই উদ্ধাৰৰ  বিষয়ে মৰাণ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰে। তেওঁ প্ৰমাণ কৰিছিল যে নথিখন (প্ৰদৰ্শক ১০) পি পি চালান, যাৰ দ্বাৰা অভিযুক্ত, মোবাইল হেণ্ডছেট আৰু নগদ ধনৰাশি মৰাণ থানাৰ বিষয়াক গতাই দিয়া হৈছিল। প্ৰতিপক্ষই নথিখন (প্ৰদৰক ১০) প্ৰদৰ্শন কৰাত আপত্তি কৰে কাৰণ সেইখন প্ৰস্তুত কৰিছিল এজন সহকাৰী উপ পৰিদৰ্শক শ্ৰীযুত চেতিয়ায়। আমি অনুভৱ কৰোঁ যে প্ৰতিপক্ষৰ এই আপত্তি ন্যায্য আছিল কাৰণ সাক্ষী

হেমন্ত বৰুৱাই (আদালতে মতা সাক্ষী নম্বৰ ১) নথিখনৰ লিখক নোহোৱা বাবে সেইখন প্ৰমাণ কৰিব নোৱাৰিলেহেঁতেন।

২২) সাক্ষীয়ে (আদালতে মতা সাক্ষী) এই নথিখন প্ৰস্তুত কৰা সংশ্লিষ্ট সহকাৰী উপ পৰিদৰ্শকৰ নামটো মনত পেলাব পৰা নাছিল। শিৱসাগৰ আৰক্ষী থানাৰ সাধাৰণ পঞ্জি নং ৮১১/২০০৮ আদালতত উপস্থাপন কৰা হোৱা নাই বুলি স্বীকাৰ কৰাৰ পিছত সাক্ষীগৰাকীৰ পুনৰ নিৰীক্ষণ কৰা হৈছিল। সাক্ষী (আদালতে মত সাক্ষী) য়ে জেৰাত স্বীকাৰ কৰিছিল যে তেওঁ নোটসমূহ জব্দ কৰা নাছিল।

২৩) আমি দেখিছো যে পি.পি. চালান (প্ৰদৰ্শক-১০) গোচৰৰ নথিত উপলব্ধ আৰু তাত অভিযুক্তৰ স্বাক্ষৰ নাই। নথিখনৰ ৩ নং স্তম্ভত, য'ত নগদ ধনৰ পৰিমাণ উল্লেখ কৰা হৈছে, তাত কোনো নোটত তেজৰ দাগ থকাৰ কোনো ইংগিত নাই। তদুপৰি এই নথিখনে এফ আই আৰ নং ১৭/২০০৮ সন্দৰ্ভত মৰাণ আৰক্ষীৰ থানাৰ কোনো বিষয়াৰ অভিযুক্তৰ প্ৰতীকী জিম্মা লোৱাৰ বাবে আৰু মুদ্ৰাৰ নোটৰ লগতে ন'কিয়াৰ মোবাইল হেণ্ডছেট জব্দ কৰাৰ বাবে কোনো স্বীকৃতি বহন নকৰে। নথিখনত কোনো ধৰণৰ জিম্মা হস্তান্তৰ বা জব্দৰ সম্পৰ্কে কোনো ইংগিত দিয়া হোৱা নাই। তাৰ বাহিৰেও নথিখনত অভিযুক্তৰ স্বাক্ষৰ নাই আৰু সেয়েহে ইয়াৰ কোনো প্ৰাসংগিকতা একেবাৰেই নাই। স্পষ্টভাৱে এই নথিখনৰ কোনো মূল্য নাই আৰু ইয়াৰ ওপৰত কোনোধৰণে নিৰ্ভৰ কৰিব নোৱাৰি।

২৪) এইটো কোৱা অপ্ৰয়োজনিয় যে কেৱল ১০,৮৮০/- টকা আৰু মোবাইল হেণ্ডছেট এজন মানুহৰ হাতত থাকিলে সেইয়া সন্দেহজনক পৰিস্থিতি বুলি গণ্য কৰিব নোৱাৰি আৰু সেয়েহে, অভিযুক্তজনক শিৱসাগৰ থানাই আচলতে গ্ৰেপ্তাৰ কৰাৰ কোনো কাৰণ নাছিল । অভিযুক্তক আটক কৰাৰ কাৰণৰ ওপৰত আলোকপাত কৰিবলৈ উপযুক্ত ব্যক্তি/ব্যক্তি হ'লহেঁতেন আৰক্ষী টহলদাৰী দলৰ সদস্য/সদস্য। অৱশ্যে বিচাৰৰ সময়ত তেওঁলোকৰ কোনো এজনকো পৰীক্ষা কৰা হোৱা নাছিল। এই আদালতৰ ১৬.০৯.২০১৯ তাৰিখৰ আদেশত উল্লেখ কৰা বহু সাক্ষীক পৰীক্ষা কৰা নহ'ল কাৰণ তেওঁলোকৰ সন্ধান উলিয়াব পৰা নগ'ল। গোচৰটোৰ ভিত্তি হ'ল কেৱল পৰিস্থিতিগত প্ৰমাণ আৰু গোচৰীয়া পক্ষই পৰিস্থিতিগত প্ৰমাণৰ দ্বাৰা এইটো প্ৰমাণ কৰাটো প্ৰয়োজনীয় আছিল অভিযুক্তই অপৰাধ সংঘটিত কৰিছে আৰু আন কোনোৱেই এই অপৰাধ সংঘটিত কৰা নাই।

২৫) আমি বৰঞ্চ অনুভৱ কৰোঁ যে অভিযুক্ত/আপিলকাৰীজন এই গোচৰত victimize কৰা হৈছে আৰু কোনো ভিত্তি নোহোৱাকৈয়ে গ্ৰেপ্তাৰ কৰা হৈছে। গোচৰীয়া পক্ষই নিৰ্ভৰ কৰা নথি-পত্ৰ/বস্তুগত সাক্ষী আৰু বিচাৰ আদালতে নিৰ্ভৰ কৰা প্ৰমাণে ইয়াত আপীলকাৰীজন ট্ৰাক চালক লখন মণ্ডলৰ হত্যাৰ অপৰাধৰ দোষী বুলি কোনো ইংগিত নিদিয়ে। বৰঞ্চ, গোচৰৰ সমগ্ৰ নথিৰ মাজৰ কোনো এখনতে অভিযুক্তৰ স্বাক্ষৰ নাই আৰু গোচৰীয়া পক্ষৰ কোনো সাক্ষীয়েও উল্লেখ কৰা নাই যে অভিযুক্তজনক ট্ৰাকখনত হেণ্ডিমেন হিচাপে নিযুক্তি দিয়া হৈছিল আৰু সেয়েহে গোচৰটোৰ

সত্যতাৰ ওপৰত গুৰুতৰ সন্দেহৰ সৃষ্টি হৈছে। ইয়াত অভিযুক্তজনক এই গোচৰত মিছাকৈ জড়িত কৰা হৈছিল ক্ষীণ প্ৰমাণৰ দ্বাৰা যিটোৰ ওপৰত নিৰ্ভৰ আচলতে তেঁওক দোষী সাব্যস্ত কৰিব পৰা নাযায়। বিচাৰ আদালতৰ ০৯/০৫/২০১৭ৰ ৰায়ৰ দ্বাৰা অভিযুক্তক দোষী সাব্যস্ত কৰাটো সঠিক নহয় কিয়নো অস্তিত্বহীন সমলৰ ওপৰত নিৰ্ভৰ কৰি তেওঁক অভিযুক্ত সজোৱা হৈছে।

২৬) আমি বৰঞ্চ অনুভৱ কৰোঁ যে বিচাৰ আদালতৰ অধিষ্ঠাতা বিষয়াৰ গোচৰৰ কাৰ্য্যবিধিৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাছিল আৰু অভিযুক্তৰ সাক্ষ্য ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা হৈছিল একেবাৰে অসাৰভাৱে কাৰণ আনকি মেডিকেল জুৰিষ্টৰ বক্তব্য আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বিষয়েও অভিযুক্তক সোধপোচ কৰা হোৱা নাছিল। বৰঞ্চ প্ৰিজাইডিং অফিচাৰে নিজেই জানিছিল যে গোচৰীয়া পক্ষৰ দ্বাৰা কোনো অভিযোগৰ সমল গোচৰৰ নথিত ৰাখিব নোৱাৰি আৰু সেইবাবেই তেওঁক তেওঁৰ ব্যাখ্যা বিচাৰি কোনো প্ৰশ্ন সুধিব নোৱাৰি।

কোনো ন্যায্যতা অবিহনে আৰু অবৈধভাৱে বিচাৰ আদালতে ভিত্তিহীন অনুমানৰ দ্বাৰা অভিযুক্তজনক দোষী সাব্যস্ত কৰিছিল যদিও অভিযুক্তজনক হত্যাকাণ্ডৰ সৈতে জড়িত কৰিব পৰা কোনো সাক্ষ্য নাছিল। আনুষ্ঠানিক এফ.আই.আৰ. প্ৰদৰ্শন নকৰা আৰু বিচাৰ আদালতে অভিযুক্তৰ Arrest Memo গোচৰীয়া পক্ষক প্ৰমাণ কৰিবলৈ নোকোৱা- এই দুয়োটা কথাৰ পৰা স্পষ্ট হয় যে গোচৰটো সঠিকভাবে পৰিচালনা কৰা হোৱা নাছিল। গোচৰীয়া পক্ষই অভিযুক্তৰ পৰা কাগজী মুদ্ৰা জব্দ কৰাৰ ভিত্তিক

অন্ধভাবে নির্ভৰ কৰা হৈছিল কাৰণ জব্দনামাৰ কোনো এজন সাক্ষীকেই সোধপোচ কৰা হোৱা নাছিল আৰু গোচৰীয়া পক্ষই যিখন নথিৰ দ্বাৰা শিবসাগৰ বা মৰাণ থানাৰ আৰক্ষী বিষয়াই জব্দ কৰিছিল বা জিম্মাত লিছিল, সেইখন প্ৰমাণ কৰা নাছিল। তদন্তকাৰী বিষয়া লুক নাথ গগৈ (পি ডব্লিউ-৪)ৰ দাবী যে তেওঁ অভিযুক্তৰ পৰা মুদ্ৰা নোট আৰু মোবাইল ফোন জব্দ কৰিছে সেইয়া মিছা কাৰণ গোচৰীয়া পক্ষৰ মিছা কাহিনী অনুসৰিও এইয়া জব্দ কৰিছিল শিৱসাগৰ থানাৰ বিষয়াসকলে, যাৰ কোনো এজনকো তদন্ত বা বিচাৰৰ সময়ত সোধপোচ কৰা হোৱা নাছিল। বৰঞ্চ লুকনাথ গগৈয়ে তেওঁৰ জেৰাত স্বীকাৰ কৰিছিল যে তেওঁ অভিযুক্তৰ পৰা জব্দ কৰা নাছিল।

২৭) আমি এইটো ধৰি লোৱাত কোনো সংকোচ নকৰো যে অভিযুক্তক অপৰাধৰ সৈতে জড়িত কৰিব পৰাকৈ কোনো সাক্ষ্য নথকাকৈয়ে গোচৰীয়া পক্ষই উপস্থাপন কৰা এক মনে সজা গোচৰৰ বাবে তেওঁ ৮(আঠ) বছৰতকৈ অধিক সময়ৰ বাবে কাৰাবাস ভুগিবলগীয়া হৈছে। এইটো আশা কৰা হৈছিল যে বিচাৰ আদালতে অভিযোগ-পত্ৰত গোচৰীয়া পক্ষই উপস্থাপন কৰা সাক্ষ্য অন্ধভাৱে অনুসৰণ কৰাতকৈ গোচৰৰ প্ৰকৃত তথ্যৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিছিল। কিন্তু অধিষ্ঠাতা বিষয়াই আইন অনুসৰি নিজৰ কৰ্তব্য পালন কৰাত ব্যৰ্থ হোৱাৰ লগতে সাক্ষীৰ জেৰাৰ পৰা প্ৰাপ্ত তথ্যৰ কথাও উল্লেখ কৰা নাছিল। ৰায়দানত কেৱল অভিযোগনামাৰ পৰা কিছু অংশ উদ্ধৃতহে কৰা হৈছিল আৰু সেয়েহে বিবাদিত ৰায়দানটো গুৰুতৰভাৱে অবৈধ আৰু বাহাল ৰখাৰ যোগ্য নহয়।

২৮) ওপৰত কৰা আলোচনাৰ পৰিপ্ৰেক্ষিতত ০৯.০৫.২০১৭ তাৰিখে ডিব্ৰুগড়ৰ বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশে সত্ৰ গোচৰ নং ২৭৮/২০১৩ ত প্ৰদান কৰা বিবাদিত ৰায়দান, (জি আৰ গোচৰ নম্বৰ ৩২১/২০০৮ আৰু মৰাণ থানাৰ গোচৰ নম্বৰ ১৭/২০০৮) বাতিল কৰা হ''ল।

অভিযুক্ত/আপিলকাৰী প্ৰয়াত মোহন কুমাৰৰ পুত্ৰ অজিত কুমাৰক গোচৰৰ পৰা খালাচ দিয়া হ'ল। অভিযুক্ত জিম্মাত আছে । যদিহে তেওঁক আন কোনো গোচৰৰ সৈতে জড়িত হোৱাৰ বাবে জেলত ৰখাৰ প্ৰয়োজন নাই, তেন্তে তেওঁক তৎক্ষণাত কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হ'ব।

২৯) যিহেতু আমি এই সিদ্ধান্তত উপনীত হৈছো যে ই এনে এটা গোচৰ য'ত অভিযুক্তক মিছাকৈ জড়িত কৰা হৈছিল আৰু যাৰ ফলত তেওঁক ৮(আঠ) বছৰতকৈ অধিক সময়ৰ কাৰাগাৰত বন্দী হৈ আছিল, গতিকে আমি ইয়াৰ দ্বাৰা নিৰ্দেশ দিওঁ যে অসম চৰকাৰে অভিযুক্ত/আপিলকাৰীক ভুৱা অভিযোগ আৰু অযুক্তিকৰভাবে দীৰ্ঘদিন কাৰাগাৰত বন্দী কৰাৰ বাবে ক্ষতিপূৰণ দিব লাগিব । অভিযুক্ত/আপিলকাৰীক ভুক্তভোগী হিচাপে গণ্য কৰা হ'ব আৰু ১,০০,০০০/- টকা (এলাখ টকা) ক্ষতিপূৰণ দিয়া হ'ব।

এই আদেশৰ প্ৰতিলিপি প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে অসমৰ আৰক্ষী সঞ্চালক প্ৰধানক দিয়া হ'ব৷

৩০) অৱশেষত আমি লক্ষ্য কৰোঁ যে গোচৰৰ বিচাৰ আৰু গোচৰৰ সিদ্ধান্ত যি ধৰণেৰে দিয়া হৈছিল, তাত বহু কথা বৈ গৈছিল। বিচাৰ ন্যায়াধীশে অভিযুক্তক ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত সোধপোচ কৰোতে উপযুক্ত প্ৰশ্ন উত্থাপন নকৰাৰ বাবে আৰু এনেদৰে পৰিস্থিতিগত বিভিন্ন কথা আওকান কৰি সিদ্ধান্ত দিয়া বাবে অভিযুক্ত যথেষ্ট পক্ষপাতিত্বৰ সন্মুখিন হৈছে আৰু এনে কথাই বিচাৰ প্ৰক্ৰিয়াকো ক্ষতিগ্ৰস্ত কৰিছে। এইদৰে তথ্য আৰু প্ৰয়োজনীয় সংশোধনী ব্যৱস্থাৰ বাবে এই ৰায়দানৰ প্ৰতিলিপি অসম ৰাজ্য, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু নাগালেণ্ডৰ সকলো প্ৰথম শ্ৰেণীৰ বিষয়াৰ মাজত বিতৰণ কৰা হ’ব।

৩১) আমি এইটোও দেখিবলৈ পাওঁ যে অভিযুক্তৰ জিম্মাত থকাৰ সময়ৰ কোনো গাঁথনিগত বিৱৰণ নিম্ন আদালতৰ নথিত উপলব্ধ নহয়।এইদৰে, আপীলত চমন কৰাৰ সময়ত নথিসমূহ উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰাৰ পূৰ্বে বিচাৰ আদালতে বাধ্যতামূলকভাৱে "কাৰাগাৰৰ শাস্তি বা জৰিমনা বিহাৰ পৰোৱানা" প্ৰস্তুত কৰিব লাগিব। এই পৰোৱানাত তলত উল্লেখ কৰা ধৰণে অতিৰিক্ত তথ্যও থাকিব লাগিব :

" জিম্মা প্ৰমাণপত্ৰ

________জিলা কেন্দ্ৰীয় কাৰাগাৰ –কাৰাগাৰ

________________________,

প্ৰমাণিত কৰিলে যে

১) মহামান্য আদালতত প্ৰয়োজন হোৱা এই গোচৰৰ জিম্মাৰ সবিশেষ:

| | | |
|---|---|---|
| ১) | দোষী/অভিযুক্তৰ নাম আৰু...<br>পিতৃ, বয়স আৰু লিংগ | |
| ২) | ঠিকনা | |
| ৩) | গোচৰ নং// থানা গোচৰ নং। | |
| ৪) | ..................বিদ্বান আদালতৰ দ্বাৰা দোষী সাব্যস্ত কৰা..............ৰায়দানৰ তাৰিখ আৰু সময়সীমাৰ সৈতে। শাস্তিৰ সময়সীমা, যদিহে আছে | |
| ৫) | জিম্মাৰ ক্ষেত্ৰত অপৰাধ নং/ক্ৰমিক নং | |

২/ গোচৰত জিম্মাত থকাৰ সময়ৰ সবিশেষ

| ক্ৰমিক নম্বৰ | | সময়সীমা |
|---|---|---|
| ১) | বিচাৰাধীন কালত জিম্মাত থকা | |
| ২) | দোষী সাব্যস্ত হোৱাৰ পিছত জিম্মা | |
| ৩) | পেৰ'ল, হোম লিভ লোৱা | |
| ৪) | অতিৰিক্ত সময় কাৰাবাস খটাৰ বিৱৰণ, পেৰ'ল, হোম লিভত অনুপস্থিতি | |
| ৫) | দোষী সাব্যস্ত পিছৰ প্ৰকৃত জিম্মাকাল [ক্ৰমিক নং ২ (৪ আৰু ৫)] | |
| ৬) | বিচাৰাধীন কালত জিম্মাত থকা | য়ু টি পি |

| | | |
|---|---|---|
| | সময়সীমাৰ সৈতে প্ৰ্কৃত কাৰাবাসৰ সময়সীমা | চি টি পি |
| ৭) | কাৰাবাসৰ সময়সীমা হ্রাসকৰণ | |
| ৮) | মুথ কাৰাবাসৰ সময়সীমা (কাৰাবাস হ্রাসকৰণৰ সময়সীমাৰ সৈতে | বিচাৰাধীন কালৰ সময়সীমা–<br>শাস্তিৰ ম্যাদ–<br>(কাৰাবাস হ্রাসকৰণৰ সময়সীমাৰ সৈতে |

৩২) ইয়াৰ উপৰিও নিৰ্দেশ দিয়া হৈছে যে দোষী সাব্যস্ত হোৱা আৰু কাৰাগাৰত বন্দী প্ৰতিজন অভিযুক্তৰ বিশদ জিম্মা প্ৰমাণপত্ৰ সংশ্লিষ্ট কেন্দ্ৰীয় কাৰাগাৰ/জিলা কাৰাগাৰৰ অধীক্ষকে ৰাখিব লাগিব। দোষী সাব্যস্ত হোৱাৰ বিৰুদ্ধে আপীল/পুনৰীক্ষণ দাখিল কৰাৰ লগে লগে এই আদালতৰ পঞ্জীয়ন বিভাগে এনে জিম্মাত ৰখাৰ প্ৰমাণপত্ৰ লাভ কৰিব যিটো গোচৰ অনুসৰি আপীল/পুনৰীক্ষণৰ স্মাৰকপত্ৰৰ সৈতে সংলগ্ন কৰা হ’ব।

সেই অনুসৰি আবেদনখনক অনুমতি দিয়া হৈছে।

নিম্ন আসালতৰ নথি বিচাৰ আদালতলৈ ঘূৰাই পঠিওৱা হওক।

**ন্যায়াধীশ** **মুখ্য ন্যায়াধীশ**

মোকাবিলাকাৰী